

# অস্তিত্ব

বন্দনা নাথ
স্নাতক তৃতীয় ষান্মাসিক

এটা দুৰ্ঘটনাৰ পিছত দিয়াই উচুপি উচুপি কান্দি আছে অংকুৰক হেৰুৱাৰ বেদনাত। ঘটনাটো ঘটিলে জানুৱাৰী মাহত সিহঁতে গোটেই ক্লাছটোৰ ল'ৰা-ছোৱালীয়ে গৈছিল পিক্‌নিক্ খাবলৈ। বহুতে হেৰুৱালে তেওঁলোকৰ ল'ৰা-ছোৱালীক, কোনোৱাই প্ৰিয়জনক। ছাৰ মেম কেইজনমান হেৰাই গ'ল এই দুৰ্ঘটনাত। লগতে হেৰাই গ'ল অংকুৰ।

অংকুৰ আছিল এইখন কলেজৰে প্ৰিন্সিপাল ড° নীলিময় চলিহাৰ একমাত্ৰ ল'ৰা। অংকুৰ আঁতৰি যোৱাৰ পৰাই মাক দেউতাকৰ অৱস্থা শোচনীয় হৈ আহিছে। প্ৰিন্সিপাল ড° নীলিময় চলিহা বহুদিন কলেজত আহিব পৰা নাই নিজকে শান্ত কৰিব পৰা নাই। অকল ছাৰেই নহয় আন আন ছাৰ মেম সকলৰ মন ভাঙি পৰিছে; কিন্তু যি হ'ব লগা আছিল সেয়া হৈ গ'ল। এতিয়া সকলো সহজ হৈ পৰিছে; কিন্তু সহজ হ'ব পৰা নাই দিয়াই। গভীৰভাৱে ভাল পাইছিল তাই অংকুৰক। অংকুৰে তাইৰ অবিহনে থাকিব নোৱাৰিব বুলি শপত খাইছিল, কিন্তু ভগৱানে সেয়া হ'বলৈ নিদিলে। অংকুৰৰ মৰম দিয়াৰ ভাগ্যত নাছিল। ফুলপাহ ফুলিব ধৰোতে মৰহি গ'ল বিযাক্ত ধুমুহা বৰষুণত। কান্দি কান্দি তাইৰ চকুলো শেষ হৈ গ'ল। তাইৰ ধুনীয়া দেহ হাড় ওলাই চাব নোৱাৰা হৈছে। ভগৱানেও যে অংকুৰৰ লগত তাইকো নিলেই ভাল আছিল। ইমান যন্ত্ৰণাত তাই কেনেকৈ জীয়াই থাকিব । আত্মহত্যাও কৰিব নোৱাৰে মাক-দেউতাকৰ কথা ভাবি। কাৰণ তাই মাক দেউতাকৰ একমাত্ৰ সন্তান। তাই নাথাকিলে মাক দেউতাকৰ কি হ'ব। এই পিনে পৰীক্ষাও আহি ওচৰ পাইছে। মাত্ৰ ৮ মাহ মান আছে। ছাৰহতঁৰ সপোন আছিল যে দিয়া আৰু অংকুৰে স্থান লাভ কৰিব। অংকুৰ গ'ল অচিন দেশলৈ তাইক অকলে এৰি থৈ। হতাশাত ভাগি পৰিছে যে তাই এতিয়া কি কৰে। কোনে জানিছিল আকাশত তৰালীময় জোনাকতো যে মেঘৰ আৱৰণ আছিল ইমান হাঁহি ফুৰ্টি

কিয় হঠাতে কান্দোনত পৰিণত হ'ল। এতিয়া তাই ৰিজাল্ট ভাল কৰিব লাগিব। প্ৰিন্সিপাল ছাৰক সান্ত্বনা দিবলৈ।

পৰীক্ষা পাৰ হৈ যোৱাৰ পিছত ৰিজাল্ট আহি পালে। দিয়াৰ ৰিজাল্ট বহুত ভাল হ'ল। তাই পালে অসমৰ ভিতৰত ১ম স্থান বিজ্ঞান শাখাত। ইমান এটা ভাল দিনটো তাই এবাৰ হহাঁ নাছিল। সাংবাদিকৰ আগত তাই যে কি কৈছিল তাই নিজেই ক'ব পৰা নাছিল। ছাৰ মেম সকলো আনন্দত উৎফুল্লিত হৈছিল আৰু প্ৰিন্সিপাল জনে তাইক কলে যে আজিৰ পাৰ নহয় যেতিয়া অংকুৰে আঁতৰি গৈছে তেতিয়াৰ পৰা তুমি মোৰ ছোৱালী। এতিয়াৰে পৰা তুমি দুখন ঘৰৰ দায়িত্ব পালন কৰিব লাগিব। তুমি আৰু ভালকৈ পঢ়িব লাগিব।

তাই নিউজাৰলেণ্ডলৈ গ'ল। দিনে ৰাতিয়েই মাথো ব্যস্ততা। ব্যস্ততাৰ মাজতো তাইৰ মনত পৰে অংকুৰক। কলেজক নতুন নতুন বন্ধু বান্ধৱীৰ সান্নিধ্যত তাই অকনমান হাঁহে। এনেদৰে অতিবাহিত হয় সময়বোৰ। তথাপি যে কিবা এটা অভাৱে তাইৰ বুকুত খুণ্ডা মাৰে। অংকুৰক তাই বৰ মিচ কৰে। কাইলৈ অংকুৰৰ জন্মদিন। এক মুহুৰ্তৰ কাৰণে তাই সপোনৰ জগতলৈ গ'ল। যেন অংকুৰৰ কোঠাটোত ৰঙা নীলা বেলুন আৰু চকলেট মিঠাইৰ পেক আৰু ফুলদানিৰে পৰিপূৰ্ণ আছে। লগতে আছে ফ্ৰেইনচ্। মাথো অপেক্ষাত আছে তাইৰ। তাই অহাৰ লগে লগে অংকুৰে আনন্দত জপিয়াইছিল সেই সময়তে তাইক খুৱাব খোজা কেক টুকুৰাৰ সৈতে অংকুৰ আন্তৰ্ধান হ'ল। কোঠাটোত কোনো নাই। বিশাল সমুদ্ৰৰ মাজত যেন তাই অকলশৰীয়া। বহু কথা ভাবি ভাবি তাই বিচনাত শুই পৰিলে। ৰাতি টোপনি নাহিল। পুৱা উঠিয়েই তাইৰ একে ভুল কৰিলে। ক্লাছত তাইৰ মন নবহিল। কিয়বা আজি এনেকুৱা হৈছে তাইৰ। তাই নিজকে বুজাব নোৱাৰে। তুনে তাইক সান্ত্বনা দিবখুজিও দিব পৰা নাই। সি তাইৰ অন্তৰৰ কথাখিনি হৃদয়ংগম কৰিব বিচাৰে। সি তাইক ভাল পাই পেলাইছে, কিন্তু সি ক'ব নোৱাৰে যদি তাৰ সৈতে তাৰ বন্ধুত্ব শেষ হৈ যায়। সি সিদ্ধান্ত কৰিলে যে সি তাইক নোকোৱাকৈয়ে ভাল পাই থাকিব। সদায় তাইক সহায় কৰিব। তাইৰ দুখবোৰ আদৰি ল'ব। সি ভাবিলে যে অকুৰৰ প্ৰতি তাইৰ প্ৰকৃত ভালপোৱা আছিল যাৰ বাবে তাই এতিয়াও পাহৰিব পৰা নাই। যেনেদৰে সূৰ্যৰ কিৰণ শেষ হৈ নাযায় সেইদৰে সচাঁ প্ৰেমো ম্লান হৈ নাযায়। দুয়োজন অৰ্থাৎ তুন আৰু দিয়াই সিহতঁৰ দুখৰ কথা ভাৱে। কেইমাহ মান পিছত তুনৰ হাঁহিভৰা মুখখন ক'লা পৰি গ'ল। দিয়াই সুধিলে যে তাৰ কি হৈছে। তেতিয়া তুনে দিয়াক ক'লে যে, মোক কোৱানা প্লিছ মোক তুমি প্ৰকৃত বন্ধু বুলি জানো নাভাৱা। তুনে কলে যে তোমাক মই সকলোতকৈ ভালপাও। নকও বুলি ভাৱিছিলো, কিন্তু ক'বই লাগিব। নহ'লে মোৰ দুখ থাকি যাব। মই আৰু পৃথিৱীত কেইদিন মানৰ বাবেহে আছো। তেতিয়া দিয়াই উচুপি উচপি কান্দিলে আৰু কলে যে মই ভালপোৱা বস্তুবোৰ ভগৱানে এটা এটাকৈ আতৰাই নি আছে।

পৰীক্ষা শেষ হ'ল। ৰিজাল্ট ওলালে। তাইৰ ৰিজাল্ট ভাল হ'ল আৰু তুনৰ ৰিজাল্ট বহুত ভাল হ'ল, কিন্তু কি হ'ব তুন আৰু নাথাকিবই। তাই তুনক শেষৰ দিনাখন লগপোৱাত তাইক তুনে কপালত চুমা এটা দিলে। তেতিয়া তাইৰ এনে লাগিছিল যে তাই তুনক যাবলৈ নিদিব। যি হ'ব লগা আছিল সেয়া সময়ে কৈ গ'ল।

তাই বেলেগ এখন কলেজত নাম ভৰ্তি কৰিলে। ক্লাছত তাইৰ প্ৰথম স্থান। তাইক নতুন কলেজখনৰ ছাৰ মেম সকলোৰে বহুত মৰম কৰে। এইবাৰ তাইক কলেজখনৰ জি. এচ. পাতিছে। এইবাৰ কলেজখন বহুত ভাল হ'ল কাৰণ তাই ৰেগিং হ'বলৈ নিদিলে। ফলত বহুত ছাত্ৰ ছাত্ৰী থাকি গ'ল। কলেজৰ ফাংচনত তাই বেষ্ট চিংগাৰ হ'ল। সেইদিনাই চিনাকি হ'ল এজন ধুনীয়া ল'ৰাৰ লগত। ল'ৰাজনৰ চেহেৰা অবিকল অংকুৰৰ দৰে। ল'ৰাজন কিন্তু দুখত পৰিপূৰ্ণ যেন লাগে। ল'ৰাজনৰ নাম বিকী ওৰফে অংকুৰ। দিয়াৰ ঘৰত মতা নাম তনু। বিকী তনু নামৰ ছোৱালীজনীক ভাল পাইছিল। তাইৰ মৃত্যু হৈছিল এটা দুৰ্ঘটনাত। আজি বহু দিনৰ মূৰত সি তনুৰ নিচিনা ছোৱালী দেখা পাইছে। প্ৰথমতে বিশ্বাসেই কৰিব পৰা নাছিল যে সিহঁত প্ৰেমিক প্ৰেমিকা নহয় বুলি। আচলতে অংকুৰ আৰু বিকী এজন আৰু তনু আৰু দিয়া এজনীহে।

লাহে লাহে দুয়ো আগৰ দৰে হৈ পৰিল। সিহঁতৰ প্ৰেম গাঢ় হ'ল। সময়ত দুয়োৰে বিয়া হ'ল। আৰু কেইদিনমান পিছত সিহঁতৰ এটা ল'ৰা শিশুৰ জন্ম হ'ল। ল'ৰাটোৰ নাম দিয়াই তাইৰ বন্ধু তুনৰ নামেৰে তুন নাম ৰাখিলে। কেইমাহ মান পিছত দিয়াক পৰীক্ষা কৰি গম পালে যে তাইৰ ব্ৰেইন টিউমাৰ হৈছে। তাই বিকীক ক'লে যে ইমান দিনে তাইক সকলোৱে এৰি গ'ল কিন্তু আজি তাই বিকীক অকলে এৰি গুচি যাব লাগিব। বিকীয়ে কান্দিব নোৱাৰিলে সি মুৰ্চা খাই গ'ল। এয়াই দিয়াৰ অস্তিত্ব আছিল। সকলো পাইও তাইৰ একো নাই মাথো শুণ্যতা জীয়াই থাকিবও নাপালে। গোটেই জীৱন দুখতে গ'ল তাইৰ। কণমানি তুনৰ সৈতে বিকী থাকি গ'ল দিয়াৰ স্মৃতি লৈ। ❑

যোৰাকালি তাইক সপোনত দেখিলোঁ। চকু-চকুৱে বহু সময় কথা পাতিলো। হৃদয়ৰ তেজত মৰম জোন তৰা হৈ পোহৰ বিলালে তাই। মোৰ জীৱনত এটা বেয়া অবিশ্বাস সপোন মোৰ বাবে। সপোনবোৰ নঘটা নহয় ঘটিলে। সেইবাবে আজিৰ দিনটো মোৰ বাবে এখন নদী সদৃশ হৈ পৰিছে। সেইবাবে সকলো বন্ধু-বান্ধৱীক মোবাইলৰ দ্বাৰাই শুভ পুৱাৰ মধুৰ বাৰ্তা দিলো। মনত কিছু উলহ-মালহ। নিশাৰ সপোন... ভাবিলে মনটো ৰাই-জাই লাগি যায়। মই ভাবিলো প্ৰেমে মানুহক অন্ধবিশ্বাসী কৰিব পাৰে। কাৰণ প্ৰেমত পৰাৰ দিনৰে পৰাই জীৱনৰ অংকবিলাক নিমিলা হৈ গৈছে। ৰাতিপুৱালেই সদায় ৰাশিফলৰ লগত দিনটো মিলাই চোৱাটো এটা স্বভাৱগত অভ্যাস হ'ল। প্ৰেমত বুজাবুজিৰ আঁৰত পুৰণি প্ৰেমঘূৰি অহাৰ সম্ভাৱনা। নিজৰ হৃদয়কে বিশ্বাস কৰিবলৈ টান লাগিল। মনতে ভগৱানক ধন্যবাদ জনালোঁ।

মায়াৰ কথাবোৰ আজি আকৌ বৰকৈ সোৱঁৰণ কৰাৰ ভাব জাগি উঠিল। বহুত সময় চিন্তা কৰিলোঁ। মায়াই মোৰ বাবে হৈ পৰিছিল মোৰ জীৱন। এতিয়া আকৌ অইন কাৰো বাবে মোৰ হৃদয়ত প্ৰৱেশৰ স্থান নাই।

মায়া এতিয়া মোতকৈ বহুত নিলগত। তথাপিও মই তাইক বহুত ভাল পাওঁ। ওচৰত ভাল পোৱাতকৈ দূৰণিত খেদি ফুৰতে হেনো বছি ৰোমান্টিক। মায়াই যেতিয়া প্ৰথম দুধনৈ মহাবিদ্যালয়ত পঢ়িবৰ বাবে যোগ দিলে, মোৰ বাবে এজাক বলিয়া ধুমুহা আহিল। যেন মই ৰঙা গোলাপ ফুলত ক্ৰমশঃ ডুব গৈছিলো। তাইৰ বাবে প্ৰতিটো চিন্তাই মোক বেঢ়ি হেচি ধৰিছিল। মায়াৰ মুখখন, তাইৰ চুলিকোছা, গোলাপৰ পাহিৰ দৰে দুচকু আৰু ভাৱগধুৰতা সকলোখিনিয়েই মোৰ ভাল লাগিছিল। মই তাইৰ প্ৰেমত গোপনে পৰিছিলো। তাইৰ লগতেই তাইক লৈয়েই মই বৰ মধুৰ জীৱন-যাপন কৰিম বুলি ভাবিছিলো। তাইক এদিন নেদেখিলেই মই হেৰুৱাইছিলো হৃদয়ত থকা হাজাৰ দিনৰ আশা। তাই যেতিয়া গুলপিয়া ৰঙৰ চুৰিদাৰ পিন্ধে তেতিয়া মোৰ বহুত ভাল লাগে। মই বৰ ভাল পাইছিলো যেতিয়া তাই মোক দেখিলে ওঠ বেকাঁকৈ এটি মিঠা মিচিকিয়াই হাঁহি মাৰিছিল।

যেতিয়া তাই দুধনৈ মহাবিদ্যালয়ত প্ৰথম আহিছিল তেতিয়া তাইক মই 'ৰ' লাগি চাই আছিলো। তেতিয়া মোৰ মৰম বুজি নাপাই তাই ৰবিৰ প্ৰেমত বাউলি হৈ ফুৰিছিল। মই বৰ কান্দিছিলো। মোৰ কলিজা



# বিশ্বাসঘাট

**ভীষ্ম খাখলাৰী**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

যেন টুকুৰা-টুকুৰ হৈ ভাঙি পৰিছিল। তাইক মই কেতিয়াও বেয়া পাব নোৱাৰো। কাৰণ তাই আনৰ প্ৰেমত পৰিলেও মই সদায় তাইক মুখত হাঁহি থকাটো বিচাৰো।

কিন্তু... ৰবি মোৰ বন্ধু। ৰবি আৰু মায়া একেখন গাওঁৰে নলে গলে লগা। ৰবি আকৌ মোৰ বৰ প্ৰকৃত আৰু প্ৰিয় বন্ধু আছিল। কিন্তু ৰবিয়ে বাৰু কিয় মোৰ লগত বিশ্বাসঘাট কৰিলে। সিটো মোৰ লগতে থাকি মায়াৰ লগত চিনাকি হৈ ভাল বন্ধু হ'ল। মোক দিয়া চিঠিদুখনত মায়াই মোৰ প্ৰেমত পৰা বুলিহে লিখিছিল। আন এখনত লিখিছিল তাইৰ প্ৰেম গোপনে ৰাখিবলৈ। গোপনীয়তা ৰক্ষা কৰিবলৈ দিছিল। মই সেই দিনাখনৰ পৰাই তাইৰ লগত বেছিকৈ কথা-বতৰা, লগ ধৰা বন্ধ কৰিলোঁ। মই তাইৰ কথাবোৰত সন্মত হৈছিলো তাই লিখা চিঠিৰ প্ৰস্তাৱত। মায়াক মই ভালপাওঁ বুলি প্ৰকাশ কৰা নাছিলো। কাৰণ তাই প্ৰথমখন চিঠিতেই মোক তইয়ো ভালপায় বুলি লিখিছিল। এনেকৈয়ে চিঠিৰ আদান-প্ৰদান চলিছিল ৰবিৰ সহায়ত। মানে ৰবিৰ সহায়তেই মই মায়াৰ খবৰ নিয়মীয়াকৈ লৈছিলো। কাৰণ ৰবি মায়াৰ একেখন গাওঁৰে চিনাকী বন্ধু আছিল। ৰবিয়ে যি কৈছিল মই সেইবোৰেই বিশ্বাস কৰিছিলো। যেতিয়া মায়াৰ অন্তৰংগতা দিনে দিনে বাঢ়ি গৈছিল ৰবিৰ সৈতে। তেতিয়া মোৰ সকলো চিন্তাৰ কাৰণ নাথাকিল। মই ৰবিক মায়াৰ কথা সকলো কৈছিলো। পিছত সি মায়াক মোৰ কথাবোৰ কয়। ৰবি বিশ্বাসী ল'ৰা। কেতিয়াবা মই কলেজত ৰবি আৰু মায়াক একেলগে বহি থকা দেখি বা কথা-বতৰা পাতি থকা দেখা পাইছিলো। মই ভাবিছিলো নিশ্চয় মোৰ কথাবোৰকে ৰবিয়ে মায়াক কৈ আছে। মায়াই তাইৰ প্ৰেম গোপনে ৰাখিবলৈ কৈছিল আৰু তাৰ বাবেই মই তাইক বেছিকৈ বা প্ৰায় লগ নধৰিছিলো। ৰবিক যদি মই অন্য কিবা ভাবো তেন্তে নিজকে দোষী যেন লাগিব। ৰবিৰ বন্ধুত্বক লৈ মই বৰ গৌৰৱ কৰিছিলো। কিন্তু সিহঁত দুটাৰ গোপন মিলা মিছাই মোৰ অন্তৰত আৰু মগজুত সন্দেহৰ এটি বীজ সিঁচিছিল। কিন্তু সেই সন্দেহ অমূলক বুলি ভাবি পেলাই দিছিলো।

যেতিয়া এদিন মায়াৰ ৰঙা জীপাল ওঁঠত ৰবিৰ বলিয়া ওঠে মৰমৰ পৰশ বিচাৰি হাহাকাৰ কৰিছিল; তেতিয়া মোৰ বিশ্বাস হৃদয়ৰ পৰা মাটিত সৰি পৰিল। মই জ্ঞান শূন্য হৈ মাটিত বহি পৰিছিলো। মই মায়াক কিমান ভালপাওঁ? কিদৰে বুজাও মই মোৰ হৃদয়ৰ কথাবোৰ। তাইৰ বাবে মই জীৱনত কিমানবোৰ সপোন সাজিছিলো। জ্ঞানশূন্য হৈ মই মায়াক ক'লো— তুমি দিয়া আগৰ চিঠিৰ কথাবোৰ...?

মায়াই ক'লে— চিঠি? তুমি মোক কেতিয়া চিঠি দিছিলা?

আৰু ক'লে— মই ৰবিক বৰ ভালপাওঁ।

মই খঙত ক'লো— তেন্তে সেই চিঠিবোৰ...?

ৰবিৰ ওঠত তেতিয়া কুটিল হাঁহি। মোৰ আৰু বুজিবৰ একো বাকী নাথাকিল। ৰবিয়ে মোৰ লগত বৰ বেয়া আৰু ডাঙৰ খেলা খেলিলে। মায়াই মোক বেয়া আৰু ভুল বুজিলে মই তাইক বৰ অপমান কৰা বুলি। সেই দুখত মই বৰ ভাগি পৰিলো। মই তাইক একোকে ক'ব নোৱাৰিলো। কেনেকৈ ৰবিৰ চিকাৰ হ'লো একো ক'ব নোৱাৰিলোঁ মই।

পিছে এতিয়াও ৰবিৰ সৈতে মোৰ বন্ধুত্ব শেষ হৈ যোৱা নাই। মোৰ লগত বিশ্বাসঘাট কৰিলেও মই তাৰ লগত এতিয়াও কথা পাতো। কাৰণ মায়াই ৰবিক ভালপায়। মই তাইৰ মুখত সদায় হাঁহি থকাটো বিচাৰো। মায়াই ভালপোৱা বিষয়বোৰলৈ ময়ো দুৰ্বল। তাই গুলপীয়া ৰং ভালপায় তাৰ বাবে ময়ো ভালপাওঁ। তাই কলেজৰ শিক্ষয়িত্ৰী হোৱাটো বিচাৰে ময়ো তাকেই কামনা কৰো। তাই পঢ়ি ভাল হ'ব বিচাৰে, ময়ো সেয়াই বিচাৰো।

মায়াই পিছে লাহে লাহে সকলো কথা গম পালে। ৰবিৰ কথাবোৰ সকলো জানিলে। কিন্তু জানিলেও মায়াই ৰবিক কি কৰিব? তাই ৰবিৰ প্ৰেমিকা হয়। মায়াই মোৰ মৰম ভালপোৱাবোৰ বুজি পোৱা নাছিল, জনা নাছিল। কিন্তু এতিয়া মোৰ প্ৰেমক লৈ তাই বৰ দুঃখিত। মই তাইক ইমান ভাল পাইছিলো। তাই এতিয়া মোৰ ভালৰ বাবে কামনা কৰে।

আৰু তাই কৈছিল— মই তোমাক ভাল পাইছিলো কিন্তু ক'বলৈ লাজ পাইছিলো। এতিয়া মায়া মোৰ এজনী ভাল প্ৰকৃত বান্ধৱী। মায়া আৰু মই একেষাৰ কথাকে কৈ আছিলো — তুমি মোক নিজ মুখেৰে কিয় ন'কলা...?

এতিয়া মই মায়াৰ লগত বান্ধৱী হিচাপে থাকো। বান্ধৱী হিচাপেই কথা কওঁ। মই তাইক পাহৰিবলৈ চেষ্টা কৰিলো..... আৰু ৰবিৰ লগত আগৰ দৰেই মই বন্ধু হৈ থাকিলো।

ৰবি আৰু মায়াৰ কথাবোৰ ভাবি থাকোতেই এনেতে ৰবিৰ ফোন আহিল। মোবাইলটো হাতত লৈ মই নদীৰ পাৰলৈ গ'লো...

দূৰণিত সেয়া নদীৰ বুকুত মই যেন ভাহি গ'লো।
হৃদয়ৰ মৰম, ভালপোৱা যেন মোৰ
মনতে গলি গ'ল... ❑

# জীৱন লগৰীৰ প্ৰতিশ্ৰুতি

**হাৰেজ আলী**
স্নাতক তৃতীয় ষান্মাসিক (প্ৰাণী বিজ্ঞান)



"কি যে কোৱানা! আচলতে কি জানা কাৰোবাক মনত পেলাব নেলাগে ই আপোনা আপুনি আহে।" ৰুবীৰ এনে কথাত ৰোহনে মনতে অলপ শান্তি অনুভৱ কৰিলে। 'bye' এটা দি ৰুবীয়ে ৰোহনৰ পৰা বিদায় ললে। সেই যে bye দি গুচি গ'ল লগে লগে ৰোহানৰ হৃদয়খনও কাঢ়ি লৈ গ'ল।

ৰোহন বৰ্তমান দূধনৈ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। সম্প্ৰতি ৰোহানৰ জীৱনৰ এটাই লক্ষ্য; সেয়া হ'ল পঢ়া-শুনা কৰি জীৱনত ডাঙৰ মানুহ হোৱা। কলেজৰ বৰ্ণিল পৰিৱেশত সি লগতে দেখিছিল আন বহুত স্বপ্ন, বহুতো কল্পনা। নিৰাশৰ বালিচৰত হেপাহৰ আল্পনা ৰচি তাৰ যৌৱনাদীপ্ত হৃদয় আন্দোলিত হৈছিল মুখানুভূতিৰে। সেই সময়ত তাৰ দৃষ্টিত সম্পৰ্ণ বিশ্বই ধৰা দিছিল এক মনোৰমা আৰু মায়াময় ৰূপত। আজৰি সময়ত ৰোহনে তাৰ বন্ধু-বৰ্গৰ লগত বিভিন্ন ধৰণৰ আলাপ- আলোচনাত মিলিত হৈছিল। সেই আলাপ-আলোচনাত সিহতে সিহতৰ গাৰ্ল ফ্ৰেণ্ডৰ কথাও পাতিছিল। তেতিয়া ৰোহানৰ হঠাতে মনত পৰিছিল সেই ৰুবীৰ কথা যি ৰুবীয়ে 'bye' এটা দি গুচি গৈছিল। ৰোহনৰ ঘৰৰ ওচৰতে অতি ঘনিষ্ট সম্পৰ্ক থকা দুজন বন্ধু আছিল, আৰু সি সিহঁতক সেই ছোৱালী ৰুবীৰ কথা কৈছিল, ৰুবী বৰ্তমান আন এখন কলেজৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰী। এদিন হঠাৎ কলেজ বন্ধ হোৱাত ৰোহানে তাৰ এজন বন্ধুক লগত লৈ ৰুবীক লগ ধৰিবলৈ ওলাই গ'ল আৰু তাই অহা-যোৱা কৰা বাটতে অপেক্ষা কৰিলে। কিছু সময় পিছত ৰুবীয়ে হাতত ছাতি এখন লৈ চাইকেলেৰে আহি আছিল। হঠাৎ ৰোহানক দেখি প্ৰথম অৱস্থাত অলপ লাজ অনুভৱ কৰিছিল আৰু সুধিছিল ৰোহান! নহয়, মানে তুমি ইয়াত? হঠাতে কলেজ বন্ধ হ'লে আৰু ভাবিলো ৰুবীক এবাৰ লগ ধৰিয়ে আহো। অহ, তোমাৰ বায়েৰাই আজি কলেজত যোৱা নাইনে? ইয়াৰ মূলতে হ'ল ৰুবীৰ বায়েকে ৰোহানৰ লগত কলেজত অহা-যোৱা কৰিছিল আৰু ভাল সম্পৰ্ক এটাও আছিল। কলেজতো বন্ধ, বায়েকে কলেজত যোৱা নাই। তাৰ মানে....... কি হ'ল, কি ভাবি আছা? নাই একো ভৱা নাই, ৰোহানৰ সেই দিনা আছিল ৰুবীৰ লগত দ্বিতীয় দিনৰ সাক্ষাৎ। কিন্তু, এই সকলোবোৰ কথা ৰুবীয়ে তাইৰ বায়েকক জনাইছিল। কিছুদিন পিছত কলেজৰ নৱাগত আদৰণি অনুষ্ঠানত ৰুবীয়েও বায়েকৰ লগত গৈছিল আৰু তাতে ৰোহনৰ লগত কথা-বতৰা হৈছিল আৰু ৰোহনে গিফট্ এটাও দিছিল। সচাঁকৈয়ে ৰোহানৰ মনত দূৰ্বলতাই বাহঁ ললে। এদিন দেখা নকৰিলে যেন কিবা এটা নাই অনুভৱ হয়। ৰোহানে নাজানে এয়া আচলতে কি। হয়তো এয়াই প্ৰেম। প্ৰতি সন্ধিয়াই ৰুবী নামটোৰে

ৰোহানৰ মনত খেলিমেলিৰ সৃষ্টি কৰে, কিন্তু তেওঁ নাজানে ৰুবীৰ মনৰ প্ৰতিক্ৰিয়া কেনে? কিন্তু সচাকৈয়ে ৰুবীয়েও ৰোহানৰ প্ৰতি আকৃষ্ট হৈছিল। কিয়নো হঠাতে এদিন তাই ৰোহানক লগ ধৰিলে আৰু ক'বলৈ ধৰিলে— আজি মোৰ কলেজত অলপো ভাল লগা নাই, মানে এজন ল'ৰাৰ কথা ভাবি। ল'ৰা মানে কোন ল'ৰা। ৰোহানে মনত দুখ অনুভৱ কৰি সুধিলে। মই এজন ল'ৰাক ভাল পাওঁ কিন্তু ক'ব নোৱাৰো। নাজানো মই তাক জীৱনত কেনেকৈ আকোৱালি ল'ব পাৰিম।" কোৱা ল'ৰাজন দেখাত কেনেকুৱা? কোনখন কলেজত পঢ়ে? পাৰো যদি মই তোমাক সহায় কৰিবলৈ চেষ্টা কৰিম। "ল'ৰাজন দুধনৈ মহাবিদ্যালয়ত পঢ়ে। দেখিবলৈ মজলীয়া।" ৰুবীৰ কথা শুনি প্ৰথমে ৰোহানে চমকি উঠিছিল যদিও পিছ মূহুৰ্ত্ততে বুজিব বাকী নাথাকিল যে ল'ৰাজন তেওঁৰ বাহিৰে আন কোনো নহয়। এনেদৰে যেনেকৈ ৰোহানে তাইক নজনাকৈ ভাল পাইছিল ঠিক তেনেদৰেই ৰুবীয়েও ৰোহানক নজনাকৈ ভাল পাই পেলাইছিল।

ইয়াৰ পিছ দিনাই ৰুবীয়ে ৰোহানক প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু ৰোহানেও তাক গ্ৰহন কৰিছিল, এনেদৰে সিহঁতৰ প্ৰেম গভীৰতাৰ পৰা অধিক্ গভীৰতালৈ গতি কৰিলে। সচাকৈয়ে ৰুবীৰ খোজত যেন পদুম ফুলিবলৈ লয়, হাঁহিত তাইৰ মুকুতা সৰে আৰু কথাত মৌ বৰষে। তাইৰ অবিহনে ৰোহানৰ জীৱনটোও আছিল যেন এক পোহৰহীন দিন, ছন্দবিহীন কবিতা, তৰাবিহীন আকাশ আৰু তৰংগবিহীন সাগৰৰ দৰে।

দুয়ো পৰস্পৰে পৰস্পৰক নিজৰ জীৱনতকৈ বেছি ভালপাই পেলালে। ৰুবীয়ে ৰোহানক জীৱন লগৰীৰ প্ৰতিশ্ৰুতি দিলে। দুয়োৰে সপোন পঢ়া-শুনা শেষ কৰি ৰোহানে কিবা এটা উপাৰ্জনৰ উৎস পালেই ৰুবীক জীৱন বাটৰ লগৰী কৰি ল'ব। কিন্তু নিয়তিৰ যে কি খেল। দূৰ্ভাগ্য ক্ৰমে ৰোহানৰ জীৱনত সেই কল্পনাৰ জগতখন ৰাস্তৱত ৰূপায়িত নহল।

"ইনছান সোচা কিয়া, আত্তৱ হোতা কিয়া?" ৰুবীয়ে উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ সাজু হৈছেহি মাথো, এনেতে এদিনাখন হঠাতে তাইৰ দেউতাক ঘৰত ঘোষনা কৰিলে যে তেওঁৰ এজন ভায়েকে ৰুবীক বিয়াৰ কাৰণে চাবলৈ আহিব। হঠাৎ দেউতাকে লোৱা এনে সিদ্ধান্তই ৰুবীক হতভম্ব কৰিলে। তাইৰ মূৰত আকাশ ভাগি পৰিল। তাইৰ কলেজত যোৱা বন্ধ কৰি দিলে। ইফালে ৰোহানেও তাই কলেজত নোযোৱাৰ বাবে যোগাযোগ বিচিন্ন হ'ল। তাইৰ মনত হানিলে এক মোক্ষক আঘাত। দেউতাকৰ তথা ঘৰৰ পৰিয়ালৰ সিদ্ধান্তক বিৰোধিতা কৰাৰ সাহস তাইৰ নাছিল আনফালে নিজৰ প্ৰেমিকৰ কথাও পৰিয়ালৰ আগত খুলি ক'ব পৰা নাছিল।

বিয়াৰ যোজা তীব্ৰ গতীত চলি থকা অৱস্থাতে ৰুবীয়ে উপায়হীন হৈ এই সকলোবোৰ কথা ৰোহানক টেলিফোন যোগে জনালো আনকি ইয়াৰ পৰা ৰক্ষা পাবলৈ কিবা এটা কৰিবলৈ কলে। ৰোহানে এয়া শুনি বেদনাত ভাগি পৰিছিল যদিও সেই বন্ধু দুজনৰ সহযোগত উপায় এটাও উলিয়াইছিল। ৰুবীৰ বিয়া কৰিব খোজা ল'ৰাজনক ৰোহানে তেওঁলোকৰ প্ৰেমৰ কথা ভালদৰে বুজাই ক'লে আৰু ৰুবীৰ জীৱনৰ আঁতৰি যাবলৈ অনুৰোধ জনালো। "মোৰ ইয়াত কবলগীয়া একো নাই কিন্তু মই মোৰ পৰিয়ালৰ লগত একমত" ল'ৰাজনৰ কথা শুনি ৰোহানে উপায়হীন হৈ তেওঁৰ পৰিয়ালক কথাটো জনালে। কিন্তু ৰোহানৰ প্ৰকৃত প্ৰেমক এই দানৱসদৃশ মানৱে কোনো কাৰণতে স্থান নিদিলে। কিয়নো ইতিমধ্যে তেওঁলোকেও বহুদুৰ আগবাঢ়িছে।

ৰোহানৰ মূৰত আকাশ ভাঙি পৰিল। ৰোহানৰ একমাত্ৰ কেৰিয়াৰৰ দূৰ্বলতাৰ সুযোগ লৈ বিয়াৰ আয়োজন পূৰ্ণ গতিত চলালে। ৰোহানে ভবাৰ দৰে বাস্তৱ জীৱনটো সিমান সহজ, সুন্দৰ আৰু মধুৰ নহয়, সংগ্ৰামত জয়ী হ'বলৈ যে মানুহৰ ধনৰ অতি প্ৰয়োজন সেই কথাও সি মৰ্মে মৰ্মে বুজি পালে।

ইয়াত মাজতে ৰুবীয়ে এদিন সুযোগ লৈ ৰোহানক লগ ধৰিছিল আৰু জনাইছিল যে মাক-দেউতাকে বিয়াৰ দিন তাৰিখ ঠিক কৰাৰ পিছত, বিয়াত বহাৰ বাহিৰে তাইৰ একো গত্যান্তৰ নাছিল। তাই ঘৰৰ পৰিয়ালক ৰোহানৰ সৈতে থকা সম্পৰ্কৰ বিষয়ে জনাইছিল যদিও ইতিমধ্যে বহু পলম হৈ গৈছিল। মাক-দেউতাকৰ একান্ত বাধ্য জীয়েক হিচাপে তেওঁলোকৰ আত্মসন্মান ৰক্ষাৰ খাতিৰত তাই অনিচ্ছাকৃত ভৱে বিয়াৰ কাৰণে ৰাজী হ'বলগীয়াত পৰিছিল। শেষত তাই, সমগ্ৰ ঘটনাৰ বাবে পৰিস্থিতিক দোষাৰোপ কৰি ৰোহানৰ পৰা ক্ষমা ভিক্ষা খুজিছিল।

নিজৰ জীৱনতকৈও অধিক বেছি ভালপোৱা আপোনজনৰ পৰা বিচ্ছেদে ৰোহানৰ জীৱনৰ পৰা যৱনিকা পৰে জীৱনৰ সকলো মাদকতা সুখ আৰু আনন্দ। এটা বৃহৎ খালী খালী ভাৱ। এক অদ্ভুত শূন্যতাই ডোলা দি ফুৰিছে আজি তাৰ চৌদিশ। হৃদয়হীন গভীৰ এন্ধাৰ কোঠাত এৰি অহা দিনবোৰৰ স্মৃতি ৰোমন্থন কৰি এক অবুজ বেদনাত অস্থিৰ হৈ পৰিছে ৰোহানে। ৰোহানৰ দৃষ্টিত আজি শূন্যতাৰ জীৱন বুকুখনো শূন্য, শূন্যতাৰ অতীত, শূন্যতাৰ ভৱিষ্যত!!! ❑




# এই জীৱন মাথো তোমাৰ বাবে

**ৰুবী বসাক**
স্নাতক প্ৰথম বৰ্ষ

পৰী এজনী গাওঁৰ ছোৱালী। তাই দেখাত বৰ ধুনীয়া সহজ সৰল আৰু ধনী ঘৰৰ ছোৱালী। তাইৰ সৰুৰে পৰা মাত্ৰ এটাই আশা যে ডাঙৰ হ'লে তাই দেৱৰ লগত বিয়া হ'ব। দেৱ হ'ল পৰীৰ ঘৰৰ ওচৰত থকা এজন সাধাৰণ ঘৰৰ ল'ৰা। পৰী আৰু দেৱৰ প্ৰেম সৰুৰে পৰা যেতিয়া তেওলোকে প্ৰেমৰ অৰ্থ বুজি পোৱা হৈছিল। তেওঁলোকৰ প্ৰেমক কোনেও বাধা দিয়া নাছিল, কাৰণ গাওঁৰ সকলোৱে তেওঁলোকক মৰম কৰিছিল আৰু তেওঁলোকৰ গভীৰ প্ৰেমৰ মাজত কোনো অহা নাছিল। কিন্তু পৰী আৰু দেৱৰ কিছুমান বন্ধুৱে তেওঁলোকৰ প্ৰেম দেখি সহ্য কৰিব পৰা নাছিল। কাৰণ পৰী ইমান ধনী ঘৰৰ ছোৱালী হৈ এজন সাধাৰণ ল'ৰাক ভাল পাইছিল। তথাপি কিন্তু তেওঁলোকৰ মাজত কোনো আহিব নোৱাৰিছিল। পৰী আৰু দেৱ এজনে আনজনক এৰি থাকিব নোৱাৰিছিল আৰু এৰি থকাৰ কথা কেতিয়াও সপোনতো ভবা নাছিল; কিন্তু পৰীৰ দেউতাকে দেৱক ইমান এটা ভালপোৱা নাছিল, তথাপি পৰীৰ সুখৰ কাৰণে তাইৰ দেউতাকে দেৱৰ প্ৰতি যি বেয়া মনোভাৱ আছিল সেইখিনি অন্তৰতে ৰাখিছিল আৰু ভাবিছিল ডাঙৰ হোৱাৰ পিছত দেৱৰ লগতে তাইক বিয়া দিব। কিন্তু পৰীৰ বন্ধুবোৰে পৰীৰ দেউতাকক বুজাইছিল যে পৰী দেৱতকৈ আৰু ভাল ল'ৰা পাব, দেৱ পৰীৰ বাবে উপযুক্ত নহয়। গতিকে যদি পাৰে পৰীক দেৱৰ পৰা আতৰাই লৈ যাওক, পৰীৰ দেউতাকে এইবোৰ শুনি কথাটো দকৈ ভাবিব ধৰিলে আৰু শেষত পৰীৰ দেউতাকেও সেইটো কৰিবলৈয়ে থিৰাং কৰিলে। এনেতে দেৱে এদিনাখন তেওৰ মোমায়েকৰ ঘৰত কিছুদিনৰ বাবে গৈছিল আৰু সেই সময়টোৱে সুৰ্বণ সুযোগ বুলি ভাবি পৰীৰ দেউতাকে দেৱে গম নোপোৱাকৈ চাকৰিৰ স্থান সলনি কৰি চহৰত ললে য'ত পৰীৰ ভন্টি পঢ়ে। পৰীৰ ভন্টিৰ নাম হ'ল হিয়া। হিয়া সৰুৰে পৰা চহৰৰ স্কুলত হোষ্টেলত থাকি পঢ়ে। ইপিনে দেৱ মোমায়েকৰ ঘৰৰ পৰা উভতি আহি দেখিলে যে পৰীহঁতৰ ঘৰত কোনো নাই। পৰীহঁতৰ ঘৰত কোনো নেদেখি দেৱে পৰীৰ বন্ধু বান্ধৱীবোৰক সুধিলে যে পৰীহঁত কলৈ গৈছে? পৰীৰ বন্ধুবোৰে পৰী চহৰলৈ যোৱা কথাটো কোৱা নাছিল, বৰঞ্চ তাক মিছাকৈ কলে যে পৰীৰ এটা ডাঙৰ দুৰ্ঘটনাত মৃত্যু হৈছে। কথাটো শুনি দেৱ মানসিকভাৱে ভাগি পৰিল। দেৱে সেই কথাৰ সত্যতা বিচাৰ কৰি চাবলৈ কোনো চেষ্টা নকৰিলে। দেৱৰ ঘৰত মন নবহা হ'ল। আনকি কাম কাজ কৰিবলৈও দেৱৰ মন নবহা হ'ল। মাকে দেৱৰ এনেকুৱা অৱস্থা দেখি তাক বুজালে যে— এনেকৈ থাকি জানো কিবা লাভ আছে, ভালকৈ কিবা এটা কৰি ডাঙৰ মানুহহৈ এজনী ভাল ছোৱালী চাই বিয়া পতা। তেতিয়াহে তোৰ এইবোৰ দুখ আঁতৰ হ'ব। মাকৰ কথা শুনি দেৱে ক'লে। নাই মা মই পৰীৰ বাহিৰে আন

কাৰো কথা ভাবিব নোৱাৰো। তেতিয়া মাকে ক'লে তেনেহলে পৰীৰ আত্মাৰ শান্তিৰ কাৰণে এজন ভাল ডাঙৰ চিকিৎসক হৈ তোৰ পৰীৰ যি আশা আছিল সেইটো পূৰণ কৰ। আৰু দেৱে পৰীৰ সপোন পূৰণ কৰিবলৈ সকলো ধৰণৰ কষ্ট কৰিবলৈ ধৰিলে। এইফালে পৰী সদায় কান্দি কান্দি দেৱৰ আশাতে দিন কটাইছিল। দেৱ চিকিৎসক আৰু এতিয়া দুয়োজনে এখন চহৰতে থাকে। এদিনাখন এখন বিয়াত দেৱ দেৱ গ'ল বিয়াখন আছিল দেৱৰ বন্ধু এজনৰ আৰু সেই বিয়াত এজনী ছোৱালীৰ লগত দেৱৰ চিনাকি হ'ল। আৰু সেই ছোৱালীজনীক চাই দেৱৰ পৰীৰ কথা মনত পৰিল, তেওঁলোকৰ মাজত বন্ধুত্ব হ'ল আৰু ছোৱালীজনী দেৱক লাহে লাহে ভালপাবলৈ ধৰিলে আৰু দেৱেও ভগবানে তাৰ পৰীক পুনৰ ঘূৰাই দিয়া বুলি দেৱেও তাইক ভাল পাব ধৰিলে। সেইজনী ছোৱালী আছিল পৰীৰ ভন্টি হিয়া, কিন্তু দেৱে জনা নাছিল যে হিয়া পৰীৰ ভন্টি। এদিনাখন হিয়াই ঘৰত ক'লে যে তাই দেৱ নামৰ এজন ল'ৰাক ভালপায় আৰু সেই ল'ৰাক এৰি কাকো বিয়া নকৰায়। তাৰ পিছত দেউতাকে ভাবিলে এজনী ছোৱালীৰ জীৱন ধ্বংস কৰিলো এই কথা পৰীক কবও নোৱাৰো যে মই আৰু তোৰ বন্ধু বান্ধৱীহত মিলি তোক বিশ্বাসঘাতকতা কৰিলো, কলে যদি মোৰ লগত কথা নকয় এইবোৰ ভাবিয়ে পৰীৰ দৰে আৰু হিয়াৰ জীৱন ধ্বংস কৰিব নোৱাৰো বুলি ভাবিলে। পিছত হিয়াৰ দেউতাই কলে যে ঠিক আছে হিয়া, দেৱৰ লগতে তোৰ বিয়া হ'ব আৰু ক'লে যে দেৱক আজি আবেলি লগ কৰিম গতিকে তাক মাতিবা। পৰী আৰু হিয়াৰ খুউব আনন্দ, দুয়োয়ে কব ধৰিলে যে দুয়োৰে ভালপোৱাৰ নাম একে। পৰীয়ে ক'ব ধৰিলে মোৰ দেৱ বেছি ভাল আৰু হিয়াই কলে যে মোৰ দেৱ বেছি ভাল কিন্তু কোনেও জনা নাছিল যে দেৱ এজনেই। সিহত দুয়ো কিছুসময় কথা পতাৰ পিছত হিয়াই দেৱক আবেলি আহিবলৈ বুলি ফোন কৰি কলে আৰু তাইৰ বাইদেউৰ লগত কথা পতা বুলি কৈ ফোনটো পৰীক দিলে, তেতিয়া দুয়ো দুয়োৰে মাত শুনি অন্তৰখন জ্বলি যোৱা যেন অনুভৱ কৰিলে আৰু কথা পাতিব নোৱাৰিলে, পৰীয়ে ফোনটো থৈ থৰ লাগি থিয় হৈ ৰ'ল, হিয়াই সুধিলে কি হ'ল নামাত কিয়? কিন্তু পৰীয়ে একো ক'ব নোৱাৰিলে আৰু এইফালে দেউতাকে কিবা কামত বাহিৰলৈ যাব লগা হ'ল। আবেলি দেৱ হিয়াহঁতৰ ঘৰত আহিল, পৰী আৰু হিয়া বাহিৰতে অলপ কথা পাতি আছিল এনেতে দেৱে পিছফালৰ পৰা মাত লগালে আৰু দুয়োয়ে ঘূৰি চালে। পৰীয়ে দেৱক দেখি তাইক ল'ব অহা বুলি ভাবি দেৱ তুমি মোক লব আহিছা বুলি ক'ব খোজা মাত্ৰকেই হিয়াই কৈ উঠিল বাইদেউ এইজনেই মোৰ হ'ব লগা স্বামী। দেৱৰ পৰীক চাই এনেকুৱা লাগিল যেন তাৰ মূৰত সৰগ ভাঙি পৰিছে। সি ভাবিবলৈ ধৰিলে পৰী কৰ পৰা আহিল...! ভাবি ভাবি দেৱ অচেতন হৈ পৰিল, পৰী তাৰ পৰা গুচি গ'ল আৰু এঠাইত বহি চিঞৰি চিঞৰি কান্দিব ধৰিলে। ভাবিলে দেৱে মোৰ লগত বিশ্বাসঘাতকতা কৰিলে। তাই এখন চিঠি লিখিলে যে— "দেৱ, মোৰ ভন্টি বহুত ভাল, তাইক সকলো সুখ দিবা...." আৰু এইফালে দেৱক হিয়াই পানী ছটিয়াবলৈ ধৰিলে আৰু জ্ঞান হেৰুৱাই পোৱাৰ লগে লগে পৰী বুলি চিঞৰী উঠিল। এনেকৈ পৰী বুলি চিঞৰা শুনি হিয়াই দেৱক সুধিলে তুমি পৰীৰ নাম কেনেকৈ জানিলা মইতো মোৰ বাইদেউ বুলিহে কৈছিলো। তেতিয়া দেৱে ক'লে, "পৰী মোৰ জীৱনৰ মোৰ প্ৰথম আৰু শেষ প্ৰেম হ'ল পৰী পৰী পৰী.......। তাৰ পিছত দেৱে গোটেই ঘটনা ক'লে তাৰ বন্ধুবোৰৰ বিশ্বাসঘাতকতাৰ কথাও ক'লে। হিয়াৰ আৰু বুজিবলৈ বাকী নাথাকিল, এইবোৰ শুনি হিয়া ভাগি পৰিল আৰু মনে মনে দেৱ আৰু পৰীক মিলোৱাৰ কথা ভাবিলে। হিয়া আৰু দেৱে পৰীক বিচাৰিব ধৰিলে কিন্তু বহুসময় বিচাৰিও বিচাৰি নাপালে, পিছত হিয়াই ভাবিব ধৰিলে পৰীতো এই ঠাই ভালকৈ চিনি নাপায় গতিকে গাওঁলৈ গৈছে নিশ্চয়। এইফালে পৰী গাওঁত গৈ বন্ধু বান্ধৱীৰ লগত কব ধৰিলে যে দেৱে মোৰ লগত বিশ্বাসঘাতকতা কৰিলে, তেতিয়া পৰীৰ বন্ধু বান্ধৱীবোৰে পৰীৰ অৱস্থা দেখি কলে যে দেৱৰ কোনো দোষ নাই, আনকি তোৰ লগত কোনো বিশ্বাসঘাতকতাও কৰা নাই, আমি আৰু তোৰ দেউতাৰা মিলি তোক দেৱৰ পৰা দূৰত পঠিয়াই দিছিলো। এইবোৰ শুনি পৰী নিজক নিজে দোষী ভাবিব ধৰিলে যে তাই দেৱক ভুল বুজিলে সেইকাৰণে। তথাপিও পৰীয়ে ভাবিলে তাই দেৱ আৰু হিয়াৰ প্ৰেমৰ মাজত কেতিয়াও নাহে। এইফালে দেৱ আৰু হিয়া গাওঁত আহি পালে আৰু পৰীক লগ পালে পাই হিয়াই ক'ব ধৰিলে যে তই মোৰ কাৰণে যদি ইমান দিনৰ ভালপোৱা মোক দিব পৰা তেন্তে মই মোৰ কিছুদিনৰ ভালপোৱা তোক দিব নোৱাৰিমনে। দেৱে তোক সঁচাকে ভালপায়। সেইকাৰণে ইমানবোৰ হৈ যোৱাৰ পিছতো আজিও দেৱ তোৰ নিচেই কাষতে, দেৱে তোক সদায় ভাল পাই থাকিব। দেৱ কেৱল তোৰ আন কাৰো নহয়। ইমান স্বাৰ্থপৰ নহয় যে তোমালোকৰ মাজত আহিম। তেনেকৈ বহু ঘাট প্ৰতিঘাতৰ মাজেৰে দেৱ আৰু পৰীৰ মিলন হৈ গ'ল। ❑



# ৰক্তবীজ

**বিশ্বজিৎ কছাৰী**
স্নাতক (অসমীয়া বিভাগ)

এইকেইদিন এক অজান চিন্তাত মন ভিৰ কৰি ৰৈছে। মনটো ভাল লগা নাই। অথচ কিয় ভাল লগা নাই তাৰ কাৰণো বিচাৰি নাপাওঁ। সেয়ে চকী এখনত বহি ৰ'লো। তেনেতে সন্মুখত বান্ধৱী বন্দিনীকাৰ আৱিৰ্ভাৱ হ'ল। তাইৰ লগত মই ফুৰিবলৈ ওলাব লাগে। মই নাযাও বুলি কলত তাইৰ গাল দুখন বেলুন ফুলাদি ফুলিল। এই ছোৱালীজনীৰো যে মোৰ ওপৰত কিমান অভিমান; যেন মই তাইৰ প্ৰেমিকহে। মই ওলালোঁ। মোক ওলোৱা দেখি তাই এটি ধুনীয়া মিছিকিয়া হাঁহি উপহাৰ দিলে। উপহাৰত মইয়ো তাইক দিলো এটি মিছিকিয়া হাঁহি।

তাই মোক নদীৰ পাৰলৈ লৈ গ'ল। সময় আবেলি। পশ্চিম আকাশত বেলিটিয়ে ৰঙা আভা বিলাই বিদায় জনাব বিচাৰিছিল। আমি পাৰে পাৰে আগুৱাই থাকিলো। কিছুদূৰ আগত নদীৰ কেঁকুৰিত জাক জাক কঁহুৱা মৃদু বতাহৰ কোবত হালি জালি নাচি আছে। কঁহুৱা ভৰা দেখি তাই বতাহৰ বেগতকৈয়ো অতি বেগেৰে মোৰ কাষৰ পৰা দৌৰি একেবাৰে কঁহুৱা ডৰা পালেগৈ। মই তাইৰ পিছে

পিছে গৈ থাকিলোঁ; কিন্তু দৃষ্টি ৰৈ থাকিল আনন্দত মতলীয়া হৈ ওলাই অহা তাইৰ আনন্দৰ আচৰণত। দুহাত মেলি তাই মৃদু বতাহজাকক বুকুত সাৰতি লৈছে, তাইৰ আগমণত দুষ্ট বতাহজাকেও শুভ্ৰ কঁহুৱা পাহবোৰক তাইৰ মুখত দেহত ছটিয়াই দিছে। তেনেকৈয়ে দুহাত মেলি ঘূৰি ঘূৰি তাই গীত জুৰিবলৈ ধৰিলে— "কঁহুৱা বন মোৰ অশান্ত মন, আলফুল হাতেৰে লোৱা সাৰটি..." আৰু মই শিল পৰা কপৌৰ দৰে সকলোবোৰ চাই ৰ'লো। ইতিমধ্যে মইয়ো কঁহুৱা ডৰাৰ মাজত বিলীন হ'লো তাইৰ স'তে। তাই এটি কহুৱা হাতত আলফুলে লৈ মোৰ হাতত দি ক'লে— "স্পৰ্শ কৰি চোৱাচোন ই যে ইমান কোমল। যাৰ কোমলতা কাৰোৰেই তুলনা নহয়।" কহুৱাৰ প্ৰতি তাইৰ ইমান আকৰ্ষণ দেখি সুধিলো—

ঃ তুমি কহুৱা খুব ভাল পোৱা ন?

ঃ অ' কহুৱাৰ লগতে মই ঋতুৰাণী শৰৎ ভাল পাওঁ

ঃ ঋতুৰাণী শৰৎ!

মই চক খাই গ'লো। কি কয় এইজনীয়ে। শৰৎ, তাকো ঋতুৰাণী শৰৎ। তাইৰ মুখৰ নতুন শব্দটি মোৰ মনত ক'ব নোৱাৰা আনন্দ লাভ কৰিলে। শৰতক তাই কিয় ঋতুৰাণী ঠাই দিলে? জানিবলৈ বৰ আগ্ৰহেৰে তাইৰ মুখলৈ চালো।

ঃ ঋতুৰাণী শৰৎ— শব্দতো শুনি তুমি ছাগে আচৰিত হৈছা? — মই সুধিব লগা নহ'লেই; উত্তৰটো তায়েই আৰম্ভ কৰিলে— আচলতে আন ঋতুতকৈ শৰৎ খুবেই মৰমীয়াল। এই সময়ত গ্ৰীষ্ম, বৰ্ষাৰ দৰে দেহ পুৰি নিয়া ৰ'দৰ প্ৰকোপ নাথাকে। আকাশত ক'ৰবাৰ পৰা ডাৱৰো উৰি নাহে আৰু ৰাতি জোনবাইক ক'লা মেঘেও ঢাকি নাৰাখে।

ঃ সেইতোনো কি ডাঙৰ কথা— মই কলোঁ।

ঃ সেয়াইতো আটাইতকৈ ডাঙৰ কথা— আকৌ তাই আৰম্ভ কৰিলে সাহিত্যিকৰ ভাষাৰে। —"শৰতৰ আগমণে লৈ আহে দেহ মন জুৰ পেলোৱা এই মৃদু বতাহ, কহুৱা বন আৰু ৰাতি জোনাকৰ উজ্বল পোহৰত নিয়ৰ কনাই কেনেকৈ জিলমিল জিলমিল কৰি থাকে তুমি কেতিয়াবা চাইচানে? জোনাকৰ পোহৰত পদুলীমুখত থিয় হৈ থকা অশ্ৰুকন্যাৰ সুবাস কেতিয়াবা লৈছানে? এই সকলোবোৰ শকতৰেই দান।

মই আকৌ এবাৰ থমকিব লগা হ'ল তাইৰ অশ্ৰুকন্যা কথাযাৰত। সুধিলোঁ। তাই ক'লে—

ঃ ফুল বেয়া পোৱা মানুহ হয়তো এই পৃথিৱীত নোলাব। কিন্তু যদিও তেনে ব্যক্তিয়ে এবাৰলে শেৱালীৰ তলত যায়; তেন্তে তাইৰ সুবাসত তেওঁৰ মন পুলকিত হ'বই। কিন্তু এই ফুলৰ কি জানো বেদনা আছে যে ৰাতিৰ আন্ধাৰত ফুলি সুবাস বিলাই পুৱতিৰ লগে লগে সৰি পৰে।

"— এইশৰতেই আনে সকলোৰে প্ৰিয় শাৰদী দুৰ্গাপূজা। দুৰ্গাদেৱী আকৌ পৃথিৱীৰ অপশক্তি নাশ কৰিবলৈ আহিব।" কথাযাৰে মোৰ মনত জোঙে বিন্ধা দি বিন্ধিবলৈ ধৰিলে। মই তাইৰ কাষৰ পৰা আঁতৰি অলপ দূৰত বহি পৰিলো। আৰু তাই কহুৱা ফুলবোৰ ছিঙি শূন্যত এৰি মুখেৰে ফুদি সেইবোৰক দূৰৈত পঠিয়াই ৰং কৰি থাকিল।

এৰা, শাৰদীয় দুৰ্গাপূজা আহিলেই। এই পূজাতেই যদি অসুৰবোৰ ধ্বংস হৈ গ'লেহেঁতেন। কিন্তু কল্কি যুগৰ অসুৰবোৰ যে ৰক্তবীজ। মৰি মৰিও জী উঠে। দুৰ্গাদেৱীয়ে মহিষাসুৰক বধ কৰি পৃথিৱীত শান্তিপ্ৰতিষ্ঠা কৰাৰ দৰে আজিৰ অসুৰবোৰকো যদি বধ কৰিব পাৰিলেহেঁতেন। কিন্তু ই যে অজেয়। এবাৰ বধ কৰিলে পুনৰবাৰ জী উঠে। এবাৰ ডিঙি ছেদ কৰিলে পুনৰবাৰ জোৰা লাগে। এটা ৰক্তবীজ। সি এটা প্ৰত্যাহ্বান।

চাৰিওফালে চলিছে ইয়াৰ সন্ত্ৰাস। দুৰ্নীতি, হত্যাকাৰী, উগ্ৰপন্থী, ধৰ্ষণ। আজিতো নাবালিকাও সাৰি নাযায় ধৰ্ষণকাৰীৰ হাতৰ পৰা। এইবোৰো ৰক্তবীজ। এঠাইত ইয়াক ধৰাশায়ী কৰিলে আন দহ ঠাইত ই মূৰ দাঙি উঠে। প্ৰতিবাৰতকৈ সদম্ভে। পঞ্চায়ত আৰু গ্ৰামোদ্যোগৰ পৰা আৰম্ভ কৰি কেন্দ্ৰীয় মন্ত্ৰীসভালৈকে সকলোতে অসুৰবোৰৰ দপদপনি। কোনে কাক ধৰে; কোনো কাৰ কথা শুনে।

ঃ কি হ'ল? একেবাৰে চুপ চাপ বহি ৰলি যে—

বন্দিনীকাৰ মাতত মই বাস্তৱ জগতলৈ ঘূৰি আহিলো। বহাৰ পৰা উঠি লাহেকৈ ক'লোঁ— "একো হোৱা নাই"। কাক ফাঁকি দিলো মই নাজানো। কিন্তু অন্ততঃ এই মুহূৰ্তত কথাবোৰ কৈ তাইক বিদ্ৰোহী কৰি তুলিবলৈ মন নগ'ল। তাই এতিয়া প্ৰকৃতিৰ স'তে খেলি আছে ফুৰ্টিমনে। মই জানো এই অসুবোৰৰ কথা ক'লে তাই সাপৰ দৰে ফোপাব। কাৰণ তাই যে নিকা অসমীয়া। পৰিস্থিতি চম্ভালিবলৈ মই লাহেকৈ ক'লো— "ব'লা এতিয়া যাওঁ। আজি মইয়ো জোনাকৰ পোহৰ আৰু অশ্ৰুকন্যাৰ সুবাস ল'ম।"

ঃ ব'লা— তাই হাঁহি দিলে। তাইৰ হাঁহিত অন্তৰত থকা অজুত সুখ আনন্দ ফুটি উঠিছে। ❑

*(দুধনৈ কলেজৰ মোৰ প্ৰতিজন বন্ধু-বান্ধৱীৰ হাতত তুলি দিলো মোৰ এই গল্পটি)*